**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-04-2025
**Time :** 1340 Hrs

***Assamese Midday Bulletin***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে চৰকাৰে বিগত ১০ বছৰত গ্ৰহণ কৰা সামগ্ৰিক উন্নয়নমূলক আঁচনিৰ জৰিয়তে দেশৰ অনন্য পৰিৱৰ্তন সাধন হৈছে।

২। সপ্তদশ অসামৰিক সেৱা দিৱস উপলক্ষে নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে গ্লোবেল ছাউথৰ দেশসমূহত এতিয়াও খাদ্য, পানী আৰু শক্তিৰ সুৰক্ষা প্ৰত্যাহ্বান হৈ আছে।

৩। আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ-ৰাষ্ট্ৰপতি জে ডি ভান্স চাৰিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে আজি নতুন দিল্লীত উপস্থিত হয়।

৪। ঝাৰখণ্ডৰ বোকাৰোৰ লুগু পাহাৰৰ পাদদেশত আজি নিচেই পুৱা আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ যৌথ অভিযানত ৮জন মাওবাদী বিদ্ৰোহী নিহত হয়।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ক'লকাতাৰ ইডেন গাৰ্ডেনছত আজি হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ, গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে চৰকাৰে বিগত ১০ বছৰত গ্ৰহণ কৰা সামগ্ৰিক উন্নয়নমূলক আঁচনিৰ জৰিয়তে দেশৰ অনন্য পৰিৱৰ্তন সাধন হৈছে। তেওঁ কয় যে প্ৰতিটো পৰিয়ালক বিশুদ্ধ পানী যোগান, প্ৰতিটো শিশুৰ বাবে মানসম্পন্ন শিক্ষাৰ ব্যৱস্থা, প্ৰতিগৰাকী উদ্যোগীক বিত্তীয় সাহায্য প্ৰদান আৰু প্ৰতিখন গাঁৱক ডিজিটেল অৰ্থনীতিৰে লাভান্বিত কৰাই হৈছে সামগ্ৰিক বিকাশৰ অৰ্থ।

সপ্তদশ অসামৰিক সেৱা দিৱস উপলক্ষে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে কয়। প্ৰধানমন্ত্ৰীয়ে কয় যে সম্প্ৰতি চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহৰ জৰিয়তে দেশৰ বাবে কেইবা হাজাৰ বছৰীয়া পৰিকল্পনা যুগুত কৰা হৈছে। তেওঁ কয় যে প্ৰকৃত প্ৰগতি সৰু সৰু পৰিৱৰ্তন নহয়, বৰং বৃহৎ পৰিসৰ আৰু অৰ্থপূৰ্ণ পৰিৱৰ্তনৰ জৰিয়তেহে সম্ভৱ হয়। দেশক প্ৰগতিৰ উচ্চ শিখৰত উপনীত কৰাবৰ বাবে শ্ৰীমোদীয়ে দেশৰ যুৱ সমাজ, কৃষক আৰু মহিলাসকলৰ আশা-আকাংক্ষা পূৰণত গুৰুত্ব আৰোপ কৰে। শ্ৰীমোদীয়ে কয় যে ভাৰতে বৰ্তমান প্ৰশাসন, স্বচ্ছতা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত নতুন মাইলৰ খুঁটি স্থাপন কৰিছে।

দেশে যোৱা এটা দশকত গতিশীল পৰিৱৰ্তনৰ বাটত ধাৱিত হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে চৰকাৰে কেৱল বিকাশতে নহয়, বৰং প্ৰশাসন, স্বচ্ছতা আৰু উদ্ভাৱনতো গুৰুত্ব দিছে। দেশৰ বিভিন্ন জিলাত

ৰূপায়িত হোৱা কাৰ্যসূচী সন্দৰ্ভত তেওঁ কয় যে স্বাস্থ্য, সামাজিক বিকাশ আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত দেশৰ বিভিন্ন প্ৰান্তত অভূতপূৰ্ব পৰিৱৰ্তন আহিছে। তেওঁ কয় যে জনসাধাৰণৰ মাজলৈ চৰকাৰী আঁচনিসমূহ কেনেদৰে লৈ যোৱা হৈছে আৰু তৃণমূল পৰ্যায়ত এই আঁচনিসমূহৰ প্ৰকৃত প্ৰভাৱ কেনেদৰে পৰিছে সেই কথাতে শাসনৰ মান নিৰ্ভৰ কৰে। ভাষণ প্ৰসঙ্গত প্ৰধানমন্ত্ৰীয়ে খৰতকীয়া পৰিৱৰ্তনৰ এই সময়ত গোলকীয় প্ৰত্যাহ্বানসমূহত দৃষ্টি ৰখাৰ প্ৰয়োজনীয়তাতো গুৰুত্ব দিয়ে। তেওঁ কয় যে বিশেষকৈ গ্লোবেল ছাউথৰ দেশসমূহত এতিয়াও খাদ্য, পানী আৰু শক্তিৰ সুৰক্ষা ডাঙৰ প্ৰত্যাহ্বান হৈ আছে।

এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন জিলা, উন্নয়ন খণ্ড আৰু অসামৰিক সেৱাৰ বিষয়া-কৰ্মচাৰীক সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত ৰাজহুৱা প্ৰশাসনৰ প্ৰধানমন্ত্ৰীৰ উৎকৃষ্টতা বঁটাসমূহ প্ৰদান কৰে।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ-ৰাষ্ট্ৰপতি জে ডি ভান্স চাৰিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে আজি নতুন দিল্লীত উপস্থিত হয়। তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে তেওঁক বিমান বন্দৰত আদৰণি জনায়। সেই স্থানতেই অভ্যাগত উপ-ৰাষ্ট্ৰপতিগৰাকীৰ উদ্দেশ্যে গাৰ্ড অব অনাৰৰ আয়োজন কৰা হয়। শ্ৰী ভান্সৰ সৈতে আমেৰিকাৰ দ্বিতীয় মহিলা উষা ভান্স আৰু মাৰ্কিন প্ৰশাসনৰ কেইবাগৰাকীও জ্যেষ্ঠ সদস্যও ভাৰতলৈ আহিছে। নতুন দিল্লীত উপস্থিত হৈ ইতিমধ্যে অক্ষৰধাম মন্দিৰ দৰ্শন কৰা উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আজি সন্ধিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ জয়পুৰ আৰু আগ্ৰাও ভ্ৰমণ কৰিব।

উল্লেখযোগ্য যে এয়া হ'ল আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতিগৰাকীৰ প্ৰথমটো ভাৰত ভ্ৰমণ। তেওঁৰ এই ভ্ৰমণে দুয়োখন দেশকেই পাৰস্পৰিক দ্বিপাক্ষিক সম্পৰ্কৰ লগতে যোৱা ১৩ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী মোদীৰ আমেৰিকা ভ্ৰমণৰ সময়ত প্ৰকাশ পোৱা ভাৰত-আমেৰিকা যুটীয়া বিবৃতিৰ ব্যৱস্থাৱলী কাৰ্যকৰী কৰাৰ বিষয়টো পৰ্যালোচনা কৰাৰো সুযোগ প্ৰদান কৰিব। শ্ৰীভান্সৰ এই ভ্ৰমণৰ সময়তে উভয় দেশৰ আঞ্চলিক বিষয়সমূহৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহক লৈও মত-বিনিময় কৰা হ'ব বুলি প্ৰকাশ পাইছে।

০০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰ'ৰ মহাকাশ ডকিং পৰীক্ষা স্পেডেক্স অভিযানৰ দ্বিতীয়টো উপগ্ৰহ ডকিং পৰীক্ষা আজি সফলভাৱে সম্পন্ন হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কয় যে অহা দুসপ্তাহৰ ভিতৰত অধিক পৰীক্ষাৰ পৰিকল্পনা কৰা হৈছে। এই অভিযানৰ সবিশেষ দি তেওঁ কৈছিল যে স্পেডেক্সৰ অধীনত যোৱা বছৰৰ ৩০ ডিচেম্বৰত পি এছ এল ভি - চি-60 অভিযান সফলভাৱে সমাপ্ত হৈছিল। তাৰ পাছত উপগ্ৰহ দুটা চলিত বছৰৰ ১৬ জানুৱাৰীৰ পুৱা ৬ বাজি ২০ মিনিটত সফলভাৱে লগ লগোৱা হৈছিল আৰু ১৩ মাৰ্চত পুৱা ৯ বাজি ২০ মিনিটত সফলভাৱে উপগ্ৰহ দুটা বিচ্ছিন্ন কৰা হৈছিল।

০০০০০০

ঝাৰখণ্ডৰ বোকাৰোৰ লুগু পাহাৰৰ পাদদেশত আজি নিচেই পুৱা আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ যৌথ অভিযানত ৮জন মাওবাদী বিদ্ৰোহী নিহত হয়। এই অভিযানত নিহত মাওবাদী নেতা বিবেকৰ শিৰৰ দাম ১ কোটি টকা ধাৰ্য কৰা হৈছিল। আৰক্ষী সঞ্চালক প্ৰধান অনুৰাগ গুপ্তাই প্ৰকাশ কৰা অনুসৰি অভিযানকাৰী দলে ৮জন মাওবাদীৰ মৃতদেহ উদ্ধাৰ কৰিছে। ঘটনাস্থলীৰ পৰা এটা এ কে ছিৰিজৰ ৰাইফল, এটা এছেলাৰ, তিনিটা

ইনছাছ্‌ ৰাইফল, এটা পিষ্টল আৰু আঠটা দেশত নিৰ্মিত ভাৰ্মাৰ ৰাইফলৰ লগতে বুজন পৰিমাণৰ গুলীবাৰুদ উদ্ধাৰ কৰা হয়। আৰক্ষী বিষয়াগৰাকীয়ে জনোৱা অনুসৰি বহুকেইগৰাকী মাওবাদী নেতাই আত্মসমৰ্পন কৰে। চি আৰ পি এফৰ সূত্ৰই জনোৱা অনুসৰি গুলীয়াগুলি বন্ধ হৈছে যদিও অঞ্চলটোত অভিযান অব্যাহত আছে।

০০০০০০

জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে তেওঁৰ আমেৰিকা ভ্ৰমণৰ সময়ত নিৰ্বাচন আয়োগৰ বিৰুদ্ধে প্ৰকাশ কৰা মন্তব্যৰ বাবে বিজেপিয়ে নেতাগৰাকীক সমালোচনা কৰিছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কংগ্ৰেছ নেতাগৰাকীক কঠোৰ ভাষাৰে সমালোচনা কৰি বিজেপিৰ মুখপাত্ৰ সম্বিত পাত্ৰই, শ্ৰীগান্ধীয়ে দেশৰ বাহিৰত ভাৰতীয় গণতন্ত্ৰৰ কুৎসা ৰটনা কৰা বুলি অভিযোগ কৰে। ৰাহুল গান্ধীৰ বিৰুদ্ধে আক্ৰমণাত্মক স্থিতি গ্ৰহণ কৰি শ্ৰীপাত্ৰই কয় যে কংগ্ৰেছ আৰু ইয়াৰ মিত্ৰদলসমূহে জয়লাভ কৰা ঝাৰখণ্ড বিধানসভা নিৰ্বাচনতো ফলাফলৰ ক্ষেত্ৰত বুজাবুজি কৰা হৈছিল নেকি, সেই বিষয়ে কংগ্ৰেছ নেতাগৰাকীয়ে উত্তৰ দিয়া উচিত।

০০০০০০

পশ্চিম বংগৰ মুৰ্ছিদাবাদত ৱক্‌ফ সংশোধনী আইনৰ বিৰোধিতাৰে সংঘটিত হিংসাত্মক ঘটনাৰ তদন্তৰ বাবে সৰ্বোচ্চ ন্যায়ালয়ৰ এগৰাকী অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ অধ্যক্ষতাত এখন ৫ সদস্যবিশিষ্ট ন্যায়িক তদন্ত আয়োগ গঠনৰ বাবে দাখিল হোৱা এখন জনস্বাৰ্থজড়িত আবেদনৰ আজি সৰ্বোচ্চ ন্যায়ালয়ে শুনানি গ্ৰহণ কৰিব। শীৰ্ষ আদালতৰ ৱেবছাইটৰ তথ্য অনুসৰি ন্যায়াধীশ সূৰ্য কান্ত আৰু ন্যায়াধীশ এন কে সিঙৰ খণ্ডপীঠে আবেদনখনৰ শুনানি গ্ৰহণ কৰিব। এই আবেদনখনত হিংসাত্মক ঘটনাৰ সন্দৰ্ভত পশ্চিম বংগ চৰকাৰক এখন প্ৰতিবেদন দাখিল কৰাৰ বাবে নিৰ্দেশ দিয়াৰো অনুৰোধ কৰা হৈছে।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে আশা প্ৰকাশ কৰিছে যে ৰাছিয়া আৰু ইউক্ৰেইনে দীৰ্ঘদিনীয়া যুদ্ধৰ অৱসান ঘটোৱাৰ বাবে চলিত সপ্তাহতে এখন শান্তি চুক্তিত উপনীত হ'ব। সামাজিক মাধ্যমৰ মঞ্চ ট্ৰুথ ছ'চিয়েলত ট্ৰাম্পে কয় যে ৰাছিয়া আৰু ইউক্ৰেইন এই চুক্তিত উপনীত হ'লেই দেশ দুখনৰ আমেৰিকাৰ সৈতে ব্যৱসায়িক সম্বন্ধ স্থাপন হ'ব।

০০০০০০

কানাডাৰ সাংসদ চন্দ্ৰ আৰ্য্যই খালিস্তানী সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সৰৱ হোৱাৰ লগতে এই ক্ষেত্ৰত কঠোৰ চৰকাৰী কাৰ্যব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাবলৈ কানাডাৰ হিন্দু আৰু শিখ সম্প্ৰদায়ৰ লোকসকলক আহ্বান জনাইছে। সামাজিক মাধ্যমত দিয়া এটা ব্ৰাতাত শ্ৰী আৰ্য্যই ব্ৰিটিছ্‌ কলম্বিয়াৰ লক্ষ্মী নাৰায়ণ মন্দিৰত খালিস্তানপন্থীয়ে চলোৱা এটা আক্ৰমণৰ ভিডিঅ' প্ৰকাশ কৰি কানাডাত খালিস্তানী সন্ত্ৰাসবাদৰ প্ৰভাৱ বৃদ্ধিৰ বিষয়টোক লৈ উদ্বেগ প্ৰকাশ কৰে। এই সন্ত্ৰাসবাদী শক্তিবোৰ ক্ৰমান্বয়ে অধিক সংগঠিত হৈ হিন্দুৰ কণ্ঠ ৰুদ্ধ কৰাৰ চেষ্টা চলোৱা বুলিও তেওঁক সকিয়াই দিয়ে।

আনহাতে, ভেংক'ভাৰৰ খালচা ডিৱান ছ'চাইটি গুৰুদ্বাৰৰ বেৰত খালিস্তান শব্দটো লিখাৰ বিষয়টোক লৈও সাংসদ আৰ্য্যই প্ৰতিক্ৰিয়া ব্যক্ত কৰে। ৰছ ষ্ট্ৰীট গুৰুদ্বাৰ হিচাপেও জনাজাত এই ধৰ্মীয়স্থানত খালিস্তানপন্থীয়ে সংঘটিত কৰা এই কাৰ্য্যই শিখ সম্প্ৰদায়ৰ লোকসকলক অসন্তুষ্ট কৰি তোলাৰ সময়তে তেওঁ কয়, যে সন্ত্ৰাসবাদী

গোটবোৰে শিখ ধৰ্মীয় প্ৰতিষ্ঠানকো লক্ষ্য হিচাপে লৈছে। এনেবোৰ বিষয়ক লৈ মৌনতা অৱলম্বন কৰাৰ পৰিৱৰ্তে জৰুৰী তথা নিৰ্দিষ্ট কাৰ্যব্যৱস্থা গ্ৰহণ কৰাৰ বাবে চৰকাৰ-প্ৰশাসনক দাবী জনাবলৈ তেওঁ সংশ্লিষ্ট সকলো পক্ষকে আহ্বান জনায়।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ক'লকাতাৰ ইডেন গাৰ্ডেনছত আজি হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ, গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাৰ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত কালি অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে চেন্নাই ছুপাৰ কিংছক ৯ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেটৰ বিনিময় ১৭৬ ৰান কৰে। প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে এটা উইকেট হেৰুৱাই ১৫ অভাৰ আৰু ৪টা বলতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ৰোহিত শৰ্মাই ৪৫টা বলত ৭৬ ৰান কৰাৰ লগতে সূৰ্য কুমাৰ যাদৱে ৩০টা বলত ৬৮ ৰান কৰে। ৰোহিত শৰ্মাক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

কালি অনুষ্ঠিত আন এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে পাঞ্জাৱ কিংছক ৭ উইকেটত পৰাস্ত কৰে। পাঞ্জাৱ কিংছে নিৰ্ধাৰিত  ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৫৭ ৰান কৰে। প্ৰত্যুত্তৰত ৰয়েল ছেলেঞ্জাৰ্ছে ১৮ অভাৰ আৰু ৫টা বলত তিনিটা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

০০০০০০

সমাপ্ত